*Asomiya Pratidin, October 22, 2005*

# বিষপুত্ৰত পৰিণত অন্ধকূপৰ অবুজ শ্ৰমিক

## নিষিদ্ধ নগৰীত এভুমুকি (দুই)



■ *বি মুক্লেচু ঃ খনিৰ বিষবাষ্পই পৰিণত কৰিছে বিষপুত্ৰত*

**মাকুম কয়লা ক্ষেত্ৰৰ পৰা ৰত্না ভৰালী তালুকদাৰ ঃ** ছেপ্টেম্বৰ মাহৰ শেষৰ সপ্তাহত কল ইণ্ডিয়া লিমিটেডৰ (চি আই এল) অধীনস্থ নৰ্থ-ইষ্টাৰ্ণ কল ফিল্ডছৰ লিডুত থকা চেণ্ট্ৰেল হাস্পতালৰ শাৰী শাৰী বিছনাত আনবোৰ ৰোগীৰ লগতে চিকিৎসাধীন হৈ আছিল বি মুক্লেচু, বৰগোলাই কলিয়ৰীৰ কয়লা খনিৰ গৰ্ভত বিস্ফোৰক কঢ়িওৱা শ্ৰমিক। হাস্পতালত ভৰ্তি হোৱা বেছিভাগ ৰোগীৰ দৰেই মুক্লেচুৱেও ভুগিছে বুকুৰ বিষ, ৰক্তহীনতা, অসন্তৱ মূৰৰ কামোৰণি, লগতে শৰীৰৰ অসহ্যকৰ বিষত। কয়লা খনিৰ ভিতৰত কাৰ্বন-মন অক্সাইড, মিথেন গেছ, কয়লাৰ গুড়িৰ লগতে বিস্ফোৰক সামগ্ৰীৰ পৰা উৎপন্ন হোৱা বিষাক্ত বায়ু সেৱন কৰি বি মুক্লেচু নিজেই আজি পৰিণত হৈছে বিষপুত্ৰলৈ, দীৰ্ঘদিন ধৰি ভূগৰ্ভত কাম কৰাৰ অন্তত মুক্লেচু এতিয়া মাৰাত্মক যক্ষ্মা ৰোগত আক্ৰান্ত। মাৰ্ঘেৰিটা, লিডু, টিপং আৰু বৰগোলাইকে ধৰি থকা মাকুম কয়লা ক্ষেত্ৰ এলেকাৰ ভূগৰ্ভস্থ কয়লা খনিৰ অজস্ৰ শ্ৰমিকৰ মাজৰেই মুক্লেচুও এজন, যিসকলে খনিৰ ভিতৰৰ অমানুষিক পৰিশ্ৰমৰ অন্তত তিল তিলকৈ শৰীৰত গোটাই লয় শ্ৰমিকে যক্ষ্মা, হাওঁফাওঁৰ বিভিন্ন কঠিন ৰোগ, ব্ৰংকাইটিছ, দৃষ্টিহীনতা, ছালৰ ৰোগ, ৰক্তহীনতা, কেন্সাৰ আদি ৰোগৰ বীজাণু— কয়লা খননৰ ইতিহাসত যিবোৰ ৰোগৰ পোছাকী নাম অকুপেচনেল হেল্থ ডিজিজ।

■ *শেষাংশ ন পৃষ্ঠাত*

■ *প্ৰথম পৃষ্ঠাৰ পৰা* ভূ-গৰ্ভস্থৰ খনিত সোমাই কয়লা আহৰণ কৰা কাম যেনেকৈ অতি বিপজ্জনক, তেনেকৈ খনিৰ ভিতৰৰ পৰিবেশো স্বাস্থ্যৰ বাবে অত্যন্ত প্ৰতিকূল। ইয়াত শ্ৰমিকে অহৰহ স্বাস্থ্যৰ বাবে অপকাৰী ছিলিকা গুড়ি, কয়লাৰ গুড়ি, কাৰ্বন, কাৰ্বন মন অক্সাইড, মিথেন গেছ, ছালফাৰ আদিৰ প্ৰত্যক্ষ সংস্পৰ্শত থাকি বছৰৰ পিছত বছৰ জুৰি কাম কৰিবলগীয়া হয়। তদুপৰি প্ৰচুৰ বৰষুণে-এই -সুৰংগবোৰৰ মজিয়া অনবৰতে ভিজাই ৰাখে আৰু সেয়ে ভূগৰ্ভৰ কয়লা খননৰ পৰিবেশ এহাতে যেনেকৈ উত্তপ্ত আনহাতে আকৌ আৰ্দ্ৰতাৰ পৰিমাণো অধিক।

অসমৰ অন্যতম ভূগৰ্ভস্থ সম্পদ কয়লা খননৰ এই ইতিহাস প্ৰাচীন। ১৮৮১ চনতেই ব্ৰিটিছে অসমত কয়লা খননৰ কাম আৰম্ভ কৰে, চাহ বাগিচাৰ চাহিদা পূৰণ কৰিবলৈ। চাহ বাগিচাৰ মজদুৰবোৰৰ দৰেই এই খনিত কাম কৰিবলৈ তেওঁলোকে দলে দলে শ্ৰমিকৰ আমদানি কৰিছিল অন্ধ্ৰপ্ৰদেশ, উত্তৰপ্ৰদেশ, বিহাৰৰ দৰে ঠাইৰ পৰা। এতিয়াৰ কয়লা খনিবোৰৰ বহু শ্ৰমিক এইসকলৰ সতি-সন্ততি। তেতিয়াৰে পৰা কয়লাৰ ৰাষ্ট্ৰীয়কৰণৰ সময়লৈকে এই খনিবোৰত শ্ৰমিকসকলে অত্যন্ত বৰ্বৰ অৱস্থাত, এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কাম কৰিবলগীয়া হৈছিল।

১৯৭২ চনত আমাৰ দেশত কয়লাৰ ৰাষ্ট্ৰীয়কৰণ হোৱাৰ লগে লগে বিশেষকৈ শ্ৰমিকসকলৰ সুবিধাৰ বাবেও কিছুমান কল্যাণমূলক আঁচনি গ্ৰহণ কৰা হয়। এই পৰিপ্ৰেক্ষিতত কয়লা খননৰ অগ্ৰণী প্ৰতিষ্ঠান চি আই এলৰ অধীনস্থ অসমৰ কয়লা খনিৰ শ্ৰমিকসকলৰ স্বাস্থ্যৰ লগতে আৰ্থ-সামাজিক দিশৰ ছবিখন যদি অধ্যয়ন কৰা হয় তেতিয়া হ'লে দেখা যায় যে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ নিগম হোৱা সত্ত্বেও এইসকল শ্ৰমিকৰ কল্যাণৰ দিশটোৰ প্ৰতি কৰ্তৃপক্ষই একেবাৰেই আওকাণ কৰি আহিছে। লিডুৰ শ্ৰমিক কলনিৰ কথাই উদাহৰণ হিচাপে ল'ব পাৰি। এই কলনিখন ব্ৰিটিছৰ দিনতে সজা আৰু ইয়াত বৰ্তমানে প্ৰায় চল্লিশটামান পৰিয়ালে অত্যন্ত অস্বাস্থ্যকৰ পৰিবেশত থেপাথেপিকৈ বাস কৰে। অধিকসংখ্যক পৰিয়ালৰেই উপৰিপুৰুষক ব্ৰিটিছে কাম দিবলৈ ইয়ালৈ আনি ৰাখিছিল। লিডুৰ এই শ্ৰমিক কলনিখন দেখাত এটা বেৰেকৰ দৰেই লাগিছিল অপৰিচ্ছন্ন, ঠেক আৰু বিচ্ছিন্ন। যোৱা ছেপ্টেম্বৰ মাহৰ শেষৰ সপ্তাহত বিয়লি চাৰি বজাত এই কলনি ভ্ৰমণ কৰাৰ সময়ত দেখা গৈছিল যে কামৰ পৰা উভতি অহা শ্ৰমিকবোৰে সস্তীয়া মদ খাই গান-নাচৰ উত্তাল শব্দৰে কলনিৰ পৰিবেশ উত্তপ্ত কৰি তুলিছে। বৰষুণত উৰুখা চালেৰে পানী সোমাইছিল ঘৰৰ মজিয়ালৈ। পাৰ বাহৰ দৰে প্ৰতিটো পৰিয়ালক দিয়া হৈছে আঠ ফুট বাই দহ ফুট আকাৰৰ এটা কোঠা, পিচফালৰ তিনিফুটীয়া এখন বাৰাণ্ডা তেওঁলোকে পাকঘৰৰ বাবে ব্যৱহাৰ কৰে। দুটাকৈ পৰিয়ালৰ মাজত একোটাকৈ পায়খানা। পৰিয়ালে পতি কমেও তিনি চাৰিটাকৈ ল'ৰা-ছোৱালী।

উল্লেখযোগ্য যে চি আই এল কৰ্তৃপক্ষই ইয়াৰ পৰিবেশ সংৰক্ষণ কাৰ্যসূচীৰ অংশ হিচাপে লিডু বজাৰৰ সমীপত থকা 'মুনচী কুৰেৰী' নামৰ অতীতৰ কয়লাৰ মুক্ত খননৰ পৰিত্যক্ত অঞ্চল এটা ব্যৱহাৰৰ উপযোগী কৰি তুলি ইয়াত 'পাটকাই ষ্টেডিয়াম' নামৰ এখন ষ্টেডিয়াম গঢ়ি তোলাৰ লগতে বৃক্ষ ৰোপণ তথা এখন উদ্যানো স্থাপন কৰে। লগতে অতীতৰ কয়লা খননৰ যূল 'কুৰেৰী'ত পানী গোট খাই সৃষ্টি হোৱা বৃহদাকাৰৰ পুখুৰী এটাক হ্ৰদৰ আকাৰ দি ইয়াৰ পৰাই খোৱাপানী পৰিশোধন কৰি কলনিৰ কৰ্মচাৰীসকলৰ বাবে যোগান ধৰি আহিছে।

কৰ্তৃপক্ষই যোগান ধৰা এই পানী কিমানদূৰ স্বাস্থ্যসম্মত সেই সন্দৰ্ভত আনকি কৰ্মচাৰীসকলেই সন্দেহ প্ৰকাশ কৰে। সেয়ে কৰ্মচাৰীসকলে সাধাৰণতে খোৱাপানী উতলাই ব্যৱহাৰ কৰে যদিও শ্ৰমিকসকল এই

সম্পৰ্কে সচেতন নহয়। লিডু শ্ৰমিক কলনিৰ আবাসীসকলে অভিযোগ কৰিছিল যে তেওঁলোকক খাবলৈ 'গেছ পানী' দিয়া হয়।

আশ্চৰ্যজনক দিশটো হৈছে যে শ্ৰমিকসকলে যিধৰণৰ কদৰ্য পৰিবেশত বাস কৰে, সেই বাসভূমিৰ এই পৰিবেশৰ সৈতে তেওঁলোকৰ দৰমহাৰ কোনো সামঞ্জস্য নাই। দেখা গৈছিল যে থকাৰ পৰিবেশৰ তুলনাত শ্ৰমিকে লাভ কৰে বিপুল দৰমহা। বলৰামে ছেপ্টেম্বৰ মাহত পোৱা দৰমহা ৮,৭৪০ টকা (মুঠ বাৰ হেজাৰৰ অধিক), নৰচিমলু নামৰ চকীদাৰজনেও সকলো কাটি ৰখাৰ পিচত লাভ কৰে আঠ হেজাৰ টকাৰ দৰমহা। তদুপৰি প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে কেন্দ্ৰীয় চৰকাৰৰ কয়লাখনিত কাম কৰা কৰ্মচাৰীৰ দৰমহা ৩০ শতাংশ বৃদ্ধি পায়। এই পৰিমাণৰ টকা একোটা পৰিয়ালে সুস্থ জীৱন-যাপন কৰিবৰ বাবে যথেষ্ট। কিন্তু মাকুম কয়লা খনিৰ অন্তৰ্গত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ শ্ৰমিকসকলে এনে পৰিমাণৰ দৰমহা পোৱাৰ পিচতো একপ্ৰকাৰ বৰ্বৰ অৱস্থাতেই বাস কৰি আহিছে। কাৰণ সুস্থ জীৱন-যাপনৰ অৰ্থ এইসকল শ্ৰমিকে বুজি নাপায়। কয়লা ক্ষেত্ৰ ৰাষ্ট্ৰীয়কৰণ হোৱাৰ আগলৈকে এই শ্ৰমিকবোৰে অতি কম টকা উপাৰ্জন কৰিছিল আৰু বাস কৰিছিল একেবাৰে বৰ্বৰ অৱস্থাত, একপ্ৰকাৰ জন্তুৰ দৰে। তেতিয়া সুস্থ আৰু উন্নত জীৱন-যাপনৰ বাবে সুযোগ আৰু উপায় কোনোটোৱেই নাছিল। কিন্তু ৰাষ্ট্ৰীয়কৰণত তেওঁলোকৰ বাবে নতুন দৰমহাৰ নিৰিখ ধাৰ্য কৰা হ'ল। ফলত আৰ্থিকভাৱে লাভান্বিত হ'লেও শ্ৰমিকৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নতিৰ বাবে কোনোধৰণৰ আঁচনি গ্ৰহণ নকৰাৰ ফলত কঠোৰ পৰিশ্ৰমৰ অন্তত উপাৰ্জিত ধনৰ সদ্ব্যৱহাৰৰ দিশটোত শ্ৰমিকবোৰ একেবাৰেই অজ্ঞ।

কলনিখনৰ উৰুখা চালৰ একোঠলীয়া ঘৰৰ আবাসীসকলক ইনষ্টলমেণ্টত ৰঙীণ টিভি বা ভি চি ডি ক্ৰয় কৰিবলৈ চি আই এল কৰ্তৃপক্ষই সুবিধা দিছে। কিন্তু শ্ৰমিকৰ সন্তানক শিক্ষা-দীক্ষা দিয়া, নৱজাতকৰ ছিটাকৰণ বা স্বাস্থ্য পৰিয়াল পৰিকল্পনাৰ দৰে মূলগত দিশবোৰত কোনো গুৰুত্ব প্ৰদান কৰা হোৱা নাই। বৰ্ধিত আয়ৰ অধিকাংশই ব্যয় হয় মদ্যপান আৰু জুৱাত। কয়লা খনিৰ ভিতৰৰ অন্ধকাৰত অস্বাস্থ্যকৰ পৰিবেশত একেলেথাৰিয়ে আঠ ঘণ্টাকৈ অমানুষিক পৰিশ্ৰমে সিহঁতৰ ব্যক্তিগত আৱেগ-অনুভূতিক একপ্ৰকাৰ মষিমূৰ কৰি পেলায়। সেয়ে খনিৰ পৰা ওলাই আহিয়েই সিহঁতে ঢাপলি মেলে মদৰ দোকানলৈ।

উল্লেখযোগ্য যে চি আই এলৰ অধীনস্থ নৰ্থ-ইষ্টাৰ্ণ কল ফিল্ডছৰ ৩,৫০০ কৰ্মচাৰীৰ ৪০ শতাংশই এনে শ্ৰমিক। উপাৰ্জন আৰু জীৱন-নিৰ্বাহৰ প্ৰণালীৰ এই ভাৰসাম্যহীনতাই সেয়ে কয়লা ক্ষেত্ৰৰ এলেকাত জন্ম দিছে এক মানৱীয় সমস্যাৰ। এই সন্দৰ্ভত লিডুৰ চেণ্ট্ৰেল হাস্পতালৰ উপ-মুখ্য চিকিৎসা বিষয়া ড° আৰ পাটনায়কে কয় যে হাস্পতালখনত ভৰ্তি হোৱা ৰোগীসকলৰ প্ৰায় আশী শতাংশ অত্যধিক মদ্যপান, ইয়াৰ ফলত উদ্ভৱ হোৱা শাৰীৰিক সমস্যা আৰু যক্ষ্মা ৰোগী। পাটনায়কে কয় যে কয়লা খনিৰ শ্ৰমিকৰ মদ্যপানৰ অভ্যাস এনে এক সমস্যা হৈ পৰিছেহি যে কেৱল মনোৰোগ বিশেষজ্ঞৰ দ্বাৰাহে এই অভ্যাস প্ৰতিহত কৰাটো সম্ভৱ। আনহাতে হাস্পতালত কৰ্তৃপক্ষৰ দ্বাৰা নিয়োজিত মনোবিশেষজ্ঞ অথবা ডি-এডিকচন কেন্দ্ৰ নথকাৰ বাবে কোনো সুফল লাভ কৰিব পৰা হোৱা নাই। আচৰিত কথা যে দিনে আঠ ঘণ্টাকৈ অত্যধিক পৰিমাণে ছালফাৰ থকা কয়লাৰ সংস্পৰ্শত আৰু গৰম আৰু সেমেকা পৰিবেশত কাম কৰিবলগীয়া হ'লেও টিপং কলিয়ৰীৰ বিষয়াসকলে কয় যে শ্ৰমিকসকলক প্ৰতি পাঁচ বছৰৰ মূৰে মূৰেহে স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই স্বাস্থ্য পৰীক্ষাই বুকুৰ বিভিন্ন ৰোগৰ বাবে এক্সৰে, কাণ আৰু চকুৰ পৰীক্ষাক সাঙুৰি লয় বুলি কৰ্তৃপক্ষই জনাইছিল।